# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 29-07-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

অসম চৰকাৰৰ বিশেষ প্ৰকল্পৰ অধীনত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ  কলাক্ষেত্ৰ সমাজে আজি অসমৰ নৃগোষ্ঠীয় সাংস্কৃতিক সমন্বয় আৰু বিনিময় অভিযান শীৰ্ষক কাৰ্যসূচীৰ দ্বিতীয় সংস্কৰণৰ আয়োজন কৰিছে। কুৰিটা জনগোষ্ঠীৰ লোকৰ অংশগ্ৰহণেৰে প্ৰথম পৰ্যায়ৰ কাৰ্যসূচী অন্ত পৰাৰ পাছত আজিৰে পৰা দ্বিতীয় আৱাসিক কৰ্মশালা কলাক্ষেত্ৰ চৌহদত অনুষ্ঠিত হৈছে। বিভিন্ন জনগোষ্ঠীৰ মাজত কৃষ্টি-সংস্কৃতিৰ পাৰস্পৰিক বিনিময়েৰে সমন্বয়ৰ মনোভাৱ সৃষ্টিৰ বাবে এই অভিলাষী কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এইবাৰৰ কৰ্মশালাত বানাই, পাহাৰীয়া তিৱা, মণিপুৰী মেইতেই আৰু চাওতালী জনগোষ্ঠীৰ শিল্পীসকলে অংশ লৈছে। তদুপৰি এই কৰ্মশালাত সত্ৰীয়া নৃত্য, বৰগীত, ভোৰতাল, মাটি আখৰা আৰু যোগাসনৰ শিক্ষাও দিয়া হ'ব। ইয়াৰ লগতে জনগোষ্ঠীয় খাদ্যাভ্যাস, সাজপাৰ ইত্যাদিৰ বিষয়েও অংশগ্ৰহণকাৰীসকলে জ্ঞান অৰ্জন কৰিব পাৰিব। কৰ্মশালাৰ আটাইকেইটা দিনতে সন্ধিয়াৰ ভাগত বৌদ্ধিক আলোচনা অনুষ্ঠিত হ'ব। এই আলোচনাত বিশিষ্ট শিল্পী, বুদ্ধিজীৱি, চিন্তাবিদসকলে প্ৰশিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰিব। ৯ আগষ্টত বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে এই সন্দৰ্ভত কয় যে বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত ঐক্যৰ মনোভাৱ সৃষ্টিৰে বৰ অসমৰ ধাৰণাটো শক্তিশালী ৰূপত উপস্থাপন কৰাৰ বাবে এই প্ৰকল্প ৰূপায়ণ কৰা হৈছে। সামগ্ৰিকভাৱে দ্বিতীয় পৰ্যায়ৰ এই কাৰ্যসূচীত ১৬টা জনগোষ্ঠীৰ পাঁচ শতাধিক যুৱ শিল্পীয়ে অংশগ্ৰহণ নিশ্চিত কৰিছে বুলি তেওঁ কয়।

০০০০

গোলাঘাটৰ উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত আজি পুৱা  আৰক্ষী, চি আৰ পি এফ আৰু বন বিভাগে উচ্ছেদ অভিযান আৰম্ভ কৰিছে। কেইবাটাও পৰ্যায়ত চলিবলগীয়া এই অভিযানত দুহেজাৰ ৬০০ৰো অধিক পৰিয়ালক উচ্ছেদ কৰাৰ লগতে প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্য লোৱা হৈছে। প্ৰশাসনে অঞ্চলটোত উচ্ছেদৰ বাবে এশৰো অধিক এক্সকেভেটৰ ব্যৱহাৰ কৰিছে। বন বিভাগৰ জাননী পোৱাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৭০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে।

উচ্ছেদৰ পূৰ্বে বন বিভাগে সোণাৰী বিল, মধুপুৰ, খেৰবাৰী, পিঠাঘাটকে ধৰি অন্যান্য গাঁওসমূহত বসতি কৰা লোকসকলক কালিৰ ভিতৰত অঞ্চলটো খালী কৰি দিবলৈ অন্তিমবাৰৰ বাবে সকিয়াই দিছিল। ইপিনে, মেৰাপানীৰ সমীপৰ দুই নম্বৰ নেঘেৰিবিল গাঁৱতো উচ্ছেদ চলোৱাৰ বাবে প্ৰশাসন সাজু হৈছে।

নগাঁও জিলাতো হাতীচোং মৌজাৰ দুটা স্থানত প্ৰশাসনে উচ্ছেদ চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰি দখলকাৰীলৈ জাননী জাৰি কৰিছে। এই জাননীৰ জৰিয়তে লোকসকলক সংৰক্ষিত বনভূমি ত্যাগ কৰাৰ নিৰ্দেশ দিয়া হৈছে।

০০০০

মানস ৰাষ্ট্ৰীয় উদ্যানত আজি আন্তৰ্জাতিক বিশ্ব ব্যাঘ্ৰ দিৱস পালন কৰা হৈছে। বাঘ সংৰক্ষণৰ ক্ষেত্ৰত সজাগতা বৃদ্ধিৰ বাবে সমগ্ৰ বিশ্বতে এই দিৱস পালন কৰা হয়। মানস ৰাষ্ট্ৰীয় উদ্যানত ঢেকিয়াপতীয়া বাঘৰ সংখ্যা বিগত বৰ্ষত ৬০ টালৈ বৃদ্ধি পাইছে বুলি উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিছে। আজি ব্যাঘ্ৰ দিৱসৰ কাৰ্যসূচী অনুসৰি উদ্যানখনত সংৰক্ষণৰ দিশটো কেনেদৰে অধিক কাৰ্যক্ষম কৰি তুলিব পৰা হয় সেই সন্দৰ্ভত আলোচনা কৰা হয়। লগতে উদ্যানখনত স্বচ্ছতা, নিয়মানুৱৰ্তিতা, সংৰক্ষণ আদি দিশত উৎকৃষ্ট নিদৰ্শন দেখুওৱা বিভিন্ন বন শিবিৰক সন্মানিত কৰা হয়। আজিৰ কাৰ্যসূচীত উদ্যান কৰ্তৃপক্ষই লগতে ৫ শতাধিক স্থানীয় লোকে অংশগ্ৰহণ কৰে।

ওৰাং ৰাষ্ট্ৰীয় উদ্যানতো আজি আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস পালন কৰা হৈছে। ওৰাং ব্যাঘ্ৰ প্ৰকল্পৰ কাৰ্যবাহী সঞ্চালক তথা মণ্ডলদৈ বন্যপ্ৰাণী সংমণ্ডল বিষয়া প্ৰদীপ্ত বৰুৱাই উপস্থিত ৰাইজৰ মাজত এই বিষয়ৰ তাৎপৰ্য ব্যাখ্যা কৰে।

০০০০

কামৰূপ জিলাৰ বকো - লামপি সংযোগী পথছোৱা ভূমিস্খলনৰ ফলত যাতায়াত বন্ধ হৈ আছে। শনিবাৰৰ পৰা বন্ধ হৈ থকা এই পথ আজি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই পৰিদৰ্শন কৰি সেই ঠাই পৰি থকা প্ৰকাণ্ড শিল ভাঙি শীঘ্ৰে পথ মুকলি কৰিব বুলি মন্তব্য কৰে। যোৱা ৪ দিন ধৰি এই পথ বন্ধ হৈ থকাৰ বাবে লাম্পি অঞ্চলৰ ৰাইজ অসুবিধাৰ সন্মুখীন হৈছিল। আজি আয়ুক্তগৰাকীৰ পৰ্যবেক্ষনকালত কেইবাটাও বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

০০০০

শক্তি আৰু দক্ষতা বিকাশ বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনে আজি মানকাচৰৰ হাতশিঙিমাৰী জিলা আয়ুক্তৰ কাৰ্যালয়ত প্ৰশাসন আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। অহা ১৫ আগষ্টৰ ভিতৰত জিলাখনৰ উন্নয়নক লৈ আৰু কেইবাগৰাকী মন্ত্ৰীয়ে মানকাচৰ পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীক প্ৰতিবেদন দাখিল কৰিব বুলি মন্ত্ৰী শ্ৰীফুকনে সাংবাদিকক জানিবলৈ দিয়ে।

০০০০

বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে আজি তামুলপুৰত শ্ৰীমন্ত শংকৰদেৱ ৰাজহুৱা প্ৰেক্ষাগৃহৰ শুভ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, প্ৰাক্তন বিধায়ক চণ্ডী বসুমতাৰী, বিটিআৰৰ পাৰিষদ হেমন্ত কুমাৰ ৰাভা, প্ৰাক্তন পাৰিষদ ৰবীন্দ্ৰ বালা বিশ্বাস, তামুলপুৰৰ ৰাজহ চক্ৰ বিষয়া এলিমা কান্দুলনাসহ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰেক্ষাগৃহটো উদ্বোধন কৰি শ্ৰীবড়োৱে এই প্ৰেক্ষাগৃহই তামুলপুৰবাসীৰ বহুদিনীয়া আশা পূৰণ কৰিলে বুলি মন্তব্য কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ